আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, FEBRUARY 23, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৫৭ Guwahati, Assam ।। মূল্যঃ এটকা



উদ্দেশ্যে আইন-শৃংখলা নিয়ন্ত্ৰণ... শিৱসাগৰত আৰক্ষীৰ তহল

## অখিল গগৈৰ ৰণনীতিত হতভম্ব শাসকীয় পক্ষ

# বিধানসভাত নজিৰবিহীন ঘটনা!

**ই-সংবাদ, গুৱাহাটী, ২৩ ফেব্ৰুৱাৰীঃ** অখিল গগৈৰ সক্ৰিয়তাৰ ফলত আজি অসম বিধানসভাত নজিৰবিহীন ঘটনা সংঘটিত হয়। অখিল গগৈ আৰু বিৰোধীৰ ৰণনীতিত শাসকীয় বিজেপি দলে ঢোকে ঢোকে পানী খাবলগীয়া হয়। বহু দিনৰ মূৰকত অসমৰ বিৰোধীয়ে একত্ৰিত হৈ চৰকাৰক শলঠেকত পেলাবলৈ সক্ষম হৈছে। ৰাইজৰ দলৰ শেষাংশ ২ পৃষ্ঠাত

## ৰাজীৱ গান্ধী আছিল আৰএছএছ!

**ই-সংবাদ, ২৩ ফেব্ৰুৱাৰীঃ** পুনৰ বিতৰ্কিত মন্তব্য প্ৰদান কৰিছে ইউডিএফ প্ৰধান বদৰুদ্দিন আজমলে। প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীক ১ নং বিজেপি আৰু আৰএছএছ শেষাংশ ৫ পৃষ্ঠাত

## অমৃতপাল সিঙক স্থানান্তৰৰ দাবীত মাতৃৰ আমৰণ অনশন

**ই-সংবাদ, ২৩ ফেব্ৰুৱাৰীঃ** অসমৰ ডিব্ৰুগড় জিলাৰ কেন্দ্ৰীয় কাৰাগাৰত ৰখা বিচ্ছিন্নতাবাদী নেতা খালিস্তানৰ সমৰ্থক অমৃতপাল সিং অসমৰ কাৰাগাৰত সুৰক্ষিত নহয়। অমৃতপাল সিঙক পঞ্জাৱৰ কাৰাগাৰলৈ স্থানান্তৰ কৰক। এই দাবী উত্থাপন কৰি আমৰণ অনশনত বহিছে অমৃতপাল সিঙৰ মাতৃ বলবিন্দৰ কৌৰ। বলবিন্দৰ কৌৰৰ সৈতে আন কেইবাটাও শেষাংশ ৩ পৃষ্ঠাত

## ভুৱা এনকাউণ্টাৰ!

## আবেদন নাকচ সৰ্বোচ্চ আদালতৰ

**ই-সংবাদ, নতুন দিল্লী, ২৩ ফেব্ৰুৱাৰীঃ** ৰাজ্যত সংঘটিত ভুৱা এনকাউণ্টাৰৰ সৈতে জড়িত পিআইএল সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায়ক প্ৰত্যাহ্বান জনাই দাখিল কৰা বিশেষ আবেদন নাকচ কৰিছে সৰ্বোচ্চ ন্যায়ালয়ে। শেষাংশ ৪ পৃষ্ঠাত

## ক্ষতিপূৰণ গ্ৰহণ কৰিবলৈ অস্বীকাৰ

**নতুন দিল্লী, ২৩ ফেব্ৰুৱাৰীঃ** কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে কৃষকৰ আন্দোলনৰ সময়ত আৰক্ষীৰ বৰ্বৰ আক্ৰমণৰ বলি হৈ প্ৰাণ হেৰুওৱা যুৱ কৃষক শুভকৰণ সিঙৰ মৃত্যুৰ ক্ষতিপূৰণ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছে তেওঁৰ পৰিয়ালে। পঞ্জাৱৰ ২১ বৰ্ষীয় কৃষকজনৰ শেষাংশ ৪ পৃষ্ঠাত

## মনোহৰ যোশীৰ বিয়োগ

**মুম্বাই, ২৩ ফেব্ৰুৱাৰীঃ** লোকসভাৰ প্ৰাক্তন অধ্যক্ষ তথা মহাৰাষ্ট্ৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মনোহৰ যোশীৰ আজি মুম্বাইৰ এখন চিকিৎসালয়ত চিকিৎসাধীন শেষাংশ ৩ পৃষ্ঠাত

## বাঢ়িছে চোৰ! বন্দুক লৈ নহৰুৰ খেতিত পহৰা কৃষকৰ

**ই-সংবাদ, ২৩ ফেব্ৰুৱাৰীঃ** দেশৰ বজাৰত এতিয়া সাধাৰণ জনতাৰ বাবে 'বিলাসী খাদ্য' হিচাপে পৰিণত হৈছে নহৰু। নহৰুৰ ক্ৰমবৰ্দ্ধমান মূল্যই সাধাৰণ গ্ৰাহকক জ্বলাকলা খুৱালেও এই মূল্যই পিছে অকণমান হ'লেও হাঁহি বিৰিঙাইছে খেতিয়কৰ মুখত। কিন্তু খেতিয়কৰ বাবে এতিয়া



প্ৰধান সমস্যা হৈছে পথাৰৰ পৰা নহৰু চুৰি। যাৰ বাবে মহা মূল্যবান এই ফচল চোৰৰ পৰা ৰক্ষা কৰিবলৈ হাতত বন্দুক লৈ ২৪ ঘণ্টাই পথাৰত পহৰা দিবলৈ আৰম্ভ কৰিছে কৃষকে। শেহতীয়াকৈ মধ্যপ্ৰদেশৰ উজ্জীয়নত নিজৰ পথাৰৰ নহৰুৰ খেতি চুৰি হোৱাৰ পৰা ৰক্ষা কৰিবলৈ শেষাংশ ৩ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিধানসভাত নজিৰবিহীন ঘটনা!

একমাত্ৰ বিধায়ক অখিল গগৈয়ে আনিছিল এক সংকল্প প্ৰস্তাৱ৷ অসমৰ খেতিপথাৰত বাৰে মাহে পানী যোগানৰ প্ৰস্তাৱ আনিছিল৷ কিন্তু এই প্ৰস্তাৱ নাকচ কৰে বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে৷ অখিল গগৈৰ লগতে বিৰোধীয়ে সদনত প্ৰস্তাৱৰ সপক্ষে থিয় দি ভোট যোগে নিৰ্ণয় ল'বলৈ দাবী তোলে৷ এই সংকল্প প্ৰস্তাৱৰ বাবে বেলট যোগে ভোট গ্ৰহণ কৰিবলৈ বাধ্য হয় বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী৷ কিন্তু সেই সময়ত শাসকীয় পক্ষৰ মাজত হুৰা-দুৰা লাগিল৷ কিয়নো বিধানসভাত উপস্থিত নাছিল শাসক পক্ষৰ বহু বিধায়ক৷ অধ্যক্ষ দৈমাৰীয়ে সেই কথা অৱগত হৈ ১০ মিনিটৰ বাবে সদনস্থগিত ৰাখে৷ পুনৰ এবাৰ ১০ মিনিটৰ বাবে সদন স্থগিত ৰাখে অধ্যক্ষই৷ লগে লগে শাসকীয় দলে বিধায়ক মেনেজ কৰিবলৈ জোৰ লগায়৷ এগৰাকী মন্ত্ৰীয়ে গুৱাহাটীত থকা বিজেপিৰ বিধায়কক সদনলৈ মাতি পঠিয়াই৷ ফলত মাথো ৩৯টা ভোট লাভ কৰি সন্মান ৰক্ষা পৰিল শাসকীয় দলৰ৷ বিৰোধীয়ে অতি কম ব্যৱধানত পৰাজিত হয়। হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰে প্ৰথমবাৰ অধিবেশন চলি থকাৰ সময়ত থৰকাছুটি হেৰুৱাই৷ শাসকীয় মিত্ৰজোঁটৰ ৭ বছৰীয়া চৰকাৰে প্ৰথমবাৰ বিপদ দেখিবলৈ সক্ষম হৈছে৷ কিন্তু তাৎপৰ্যপূৰ্ণ কথাটো এয়াই যে ভোটদানৰ পৰা বিৰত থাকে চৰকাৰৰ সমৰ্থনকাৰী কংগ্ৰেছৰ দুই বিধায়ক কমলাক্ষ দে' পুৰকায়স্থ আৰু বসন্ত দাস৷ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰক মুকলি সমৰ্থন ঘোষণা কৰা কংগ্ৰেছ বিধায়ক কামালাক্ষ দে পুৰকায়স্থ আৰু বসন্ত দাসে ভোট প্ৰক্ৰিয়াৰ সময়ত বিধানসভাৰ পৰা আঁতৰি থাকে। কংগ্ৰেছে ভোটদানৰ সময়ত উপস্থিত থাকিবলৈ বিধায়কক হুইপ জাৰি কৰিছিল। এতিয়া প্ৰশ্ন হৈছে যে কংগ্ৰেছে কমলাক্ষ দে' পুৰকায়স্থ আৰু বসন্ত দাসক অযোগ্য কৰিবলৈ অধ্যক্ষক আৰ্জি দিব পাৰিব৷ ৰাজ্যখনত জলসিঞ্চনৰ বিষয়ক লৈ বিধায়ক অখিল গগৈয়ে উত্থাপন কৰা প্ৰস্তাৱৰ সপক্ষে ভোটদান কৰিবলৈ শাসকীৰ পক্ষৰ পৰ্যাপ্ত সংখ্যক বিধায়ক বিধানসভাত উপস্থিত নাছিল। বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে প্ৰায় ২০ মিনিট সময় লৈছিল৷ কিয়নো গুৱাহাটীত উপস্থিত থকা বিজেপি আৰু শাসকীয় মিত্ৰজোঁটৰ বিধায়কসকলক ভোটদানৰ বাবে ততাতৈয়াকৈ সদনলৈ মাতি অনা হৈছিল। তদুপৰি, ভোটগ্ৰহণ অনুষ্ঠিত হোৱাৰ পাছতো শাসকীয় দলে ৩৯টা ভোট লাভ কৰিবলৈ সক্ষম হয়, আনহাতে বিৰোধীয়ে ৩০টা ভোট লাভ কৰিবলৈ সক্ষম হয়৷ যাৰ ফলত হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখন এক অপ্ৰত্যাশিতভাৱে বিপদজনক পৰিস্থিতিৰ সন্মুখীন হয়। লক্ষণীয় যে যদি বিৰোধীয়ে আজিৰ আকস্মিক ভোটদানত জয়লাভ কৰাত সফল হ'লহেঁতেন, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে হয়তো অনাস্থা প্ৰস্তাৱৰ সন্মুখীন হ'ব লগা হ'লহেঁতেন। অখিল গগৈয়ে সদনত জলসিঞ্চন ব্যৱস্থাক লৈ প্ৰস্তাৱ আনিছিল৷ জলসিঞ্চনৰ অভাৱৰ বাবে, অসমৰ বহু খেতিপথাৰত এতিয়াও বছৰত মাত্ৰ এবাৰহে খেতি কৰা হয়৷ বাকী সময়ৰ বাবে পথাৰ পৰিত্যক্ত হৈ থাকে। ৰাজ্যখনৰ বেছিভাগ কৃষকে এতিয়াও কেৱল প্ৰকৃতিক তথা বৰষুণৰ ওপৰত নিৰ্ভৰ। কিছু খেতি পথাৰত কেতিয়াবা ধাৰাসাৰ বৰষুণ বা বানপানী আৰু কেতিয়াবা খৰাঙৰ বাবে বছৰত এবাৰো খেতি কৰা সম্ভৱ নহয়। ফলস্বৰূপে, ৰাজ্যখনত কৃষি উৎপাদন আশা কৰা অনুসৰি হোৱা নাই। একবিংশ শতিকাত কৃষকসকলে কেতিয়াবা বৰষুণৰ বাবে ভেকুলীৰ বিবাহ পাতে। যাৰ ফল স্বৰূপে অসম বিধানসভাত ৰাজ্যখনৰ সকলো কৃষি ভূমিত বাৰে মাহে জলসিঞ্চন প্ৰদানৰ বাবে প্ৰস্তাৱ গৃহীত কৰাৰ প্ৰস্তাৱ আনিছিল অখিল গগৈয়ে৷ অখিল গগৈ উপৰিও বিধায়ক জাকিৰ হুছেইন শিকদাৰ, আশ্ৰাফুল হুছেইন আৰু আব্দুল বাতিন খাণ্ডাকাৰে এই বিষয়ত প্ৰস্তাৱ সদনত উত্থাপন কৰে। প্ৰস্তাৱ অখিল গগৈয়ে এনে সময়ত উত্থাপন কৰিছিল যে সেই সময়ত শাসকীয় বিধায়কসকলৰ বেছি সংখ্যক বিধায়ক বিধানসভাত উপস্থিত নাছিল। অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে সদনৰ নিয়ম অনুসৰি ভোটদানৰ আহ্বান জনোৱা প্ৰস্তাৱ প্ৰস্তাৱ স্বীকাৰ কৰিব লগা হৈছিল। অৱশ্যে, ২০ মিনিট সময়ৰ ভিতৰত বিজেপি মন্ত্ৰী-বিধায়ক গুৱাহাটীত উপস্থিত থকা আৰু কেইজনমান বিধায়কক সদনলৈ মাতি আনি সন্মান ৰক্ষা কৰে৷ ভোটদানৰ পিছত অখিল গগৈয়ে কয় যে আজিৰ ভোটদান প্ৰক্ৰিয়া সঁচাকৈয়ে চৰকাৰৰ বাবে এক সংকীৰ্ণ পলায়ন। সময় নিদি তাৎক্ষণিকভাৱে ভোটদান কৰিলে আজি চৰকাৰ পৰাজিত হ'লহেঁতেন। প্ৰথম দহ মিনিট দিয়া হৈছিল আৰু পাছত ২০ মিনিটলৈ বৃদ্ধি কৰা হৈছিল। ১০ মিনিটত ভোটগ্ৰহণ অনুষ্ঠিত হ'লে চৰকাৰ পৰাজিত হ'লহেঁতেন। সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে ভোটদান এজেণ্টৰ দৰে কাম কৰিব লগা হৈছিল। জলসিঞ্চন মন্ত্ৰীজনে বিধানসভাত ক্ষোভত চিঞৰি চিঞৰি নিৰ্দেশ দিয়া দেখা গৈছিল। আজি বিধানসভাত এয়া এক ডাঙৰ ঘটনা বুলিও কয় অখিল গগৈয়ে৷ মন্ত্ৰী অশোক সিংহলে কয় যে কেইজনমান বিধায়ক বিধানসভাৰ মজিয়াৰ পৰা ওলাই গৈছিল আৰু ভোটদানৰ বাবে মাতি অনা হৈছিল। যেতিয়া প্ৰস্তাৱ উত্থাপন কৰা হৈছিল, সদনত শাসকীয় মিত্ৰজোঁটৰ মাত্ৰ ৩০ জন বিধায়ক আছিল। নজন বিধায়ক সদনৰ বাহিৰত আছিল আৰু তেওঁলোকক ভোটদান প্ৰক্ৰিয়াৰ বাবে মাতি অনা হৈছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বাঢ়িছে চোৰ! বন্দুক লৈ নহৰুৰ

এইদৰে পহৰাৰ ব্যৱস্থা কৰিছে খেতিয়কে। উল্লেখ্য যে, কিছুদিন পূৰ্বে উজ্জীয়ন অঞ্চলৰ কলালিয়া গাঁৱৰ সঞ্জয় শ্বাহ নামৰ এগৰাকী খেতিয়কৰ পথাৰৰ পৰা চুৰি হৈছিল কেইবা বস্তা নহৰু। ইয়াৰ পিছতে আন দুগৰাকী কৃষক জীৱন সিং আৰু ভাৰত সিঙে তেওঁলোকৰ পথাৰৰ নহৰু খেতি ৰক্ষা কৰিবলৈ নিৰাপত্তাৰ ব্যৱস্থা কৰে। কৃষক দুগৰাকীয়ে পথাৰত পৃথকে পৃথকে চিচিটিভি কেমেৰা স্থাপন কৰাৰ লগতে খেতি ৰখিবলৈ এটা কুকুৰসহ এজন চকীদাৰকো নিয়োগ কৰে। কিন্তু ইমানতো সন্তুষ্টি লাভ কৰিব নোৱাৰি খেতিয়ক দুগৰাকীয়ে নিজেই হাতত বন্দুক লৈ পথাৰত পহৰা দিবলৈ আৰম্ভ কৰে। জীৱন সিঙে কয় যে যোৱা বছৰৰ তুলনাত এইবাৰ নহৰুৰ মূল্য চাৰিগুণ বৃদ্ধি পাইছে। এই মূল্যবৃদ্ধিয়ে খেতিয়কসকলক কিছু সুখ দিলেও চুৰি কাৰ্যৰ বাবে উদ্বিগ্নতাও বৃদ্ধি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অমৃতপাল সিঙক স্থানান্তৰৰ দাবীত

পৰিয়ালৰ সদস্যকলেও আমৰণ অনশন কৰি গৈছে। বলবিন্দৰ কৌৰ আৰু কেইবাটাও পৰিয়ালে তেওঁলোকৰ পুত্ৰসকলক ৰাৰিছ পাঞ্জাৱ দেৰ মুৰব্বী অমৃতপাল সিং আৰু সহযোগীসকলক পঞ্জাৱৰ কাৰাগাৰলৈ স্থানান্তৰৰ দাবী উত্থাপন কৰি আহিছে। কিন্তু কেন্দ্ৰীয় চৰকাৰ আৰু পঞ্জাৱ চৰকাৰে এই দাবীক গুৰুত্ব প্ৰদান কৰা নাই। তাৰ মাজতে ডিব্ৰুগড় কাৰাগাৰত অমৃতপাল সিঙৰ কোঠাৰ পৰা সামগ্ৰী উদ্ধাৰ হয়। অমৃত পাল সিঙৰ পৰা মোবাইল, হেডফোন, স্পীকাৰ, স্মাৰ্ট ৱাটছ, পেন কেমেৰা, পেন ড্ৰাইভ, ছিমকাৰ্ড, টিভিৰ ৰিমোৰ্ট আদি উদ্ধাৰ হয়। তাৰ পাছতে অমৃতপাল সিঙৰ মাতৃয়ে পুত্ৰ অসমত সুৰক্ষিত নহয় বুলি বাৰে বাৰে অভিযোগ উত্থাপন কৰি অৱশেষত আমৰণ অনশত বহে। ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰত ৰাষ্ট্ৰীয় সুৰক্ষা আইনৰ (এনএছএ) অধীনত বন্দী হৈ থকা অমৃতপাল সিঙ আৰু আন ৯ জন কয়দীয়ে ১৬ ফেব্ৰুৱাৰীৰ পৰা অনশন অব্যাহত ৰাখিছে। কাৰাগাৰ কৰ্তৃপক্ষই বেৰেক আৰু বাথৰুমত কেমেৰা স্থাপন কৰি গোপনীয়তা উলংঘন কৰাৰ অভিযোগ উত্থাপন কৰি অনশন পালন কৰি আহিছে। বৃহস্পতিবাৰে নিৰাপত্তাৰ মাজত অমৃতপালৰ পিতৃ-মাতৃ আৰু সমৰ্থক, আন বন্দীসকলৰ আত্মীয়ই স্বৰ্ণ মন্দিৰত উপস্থিত হৈছিল। অকাল তখত আৰ্দা পৰিচালনা দিয়াৰ পাছতে মন্দিৰৰ প্ৰৱেশ প্লাজাত অনশনৰ ঘোষণা কৰে। অনশনকাৰীক মন্দিৰৰ পৰা নাতি দূৰৰ হেৰিটেজ ষ্ট্ৰীটলৈ নিয়া হয়। ২০ ফেব্ৰুৱাৰীত অমৃতসৰৰ উপায়ুক্ত ঘনশ্যাম থিঅৰীলৈ এক দাবী পত্ৰ প্ৰদান কৰিছিল অমৃতপালৰ মাতৃয়ে। পুত্ৰ আৰু সহযোগীক পঞ্জাৱৰ কাৰাগাৰলৈ স্থানান্তৰ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিবলৈ ২৪ ঘণ্টাৰ আল্টিমেটাম দিছিল ৰাজ্য চৰকাৰক। মাতৃ কৌৰে কয় যে অমৃতপাল আৰু অন্যান্য বন্দীসকলক পঞ্জাৱ কাৰাগাৰলৈ স্থানান্তৰ নকৰা পৰ্যন্ত অনশন অব্যাহত থাকিব। প্ৰশাসনৰ ওপৰত আমাৰ বিশ্বাস নাই। অমৃতসৰৰ উপায়ুক্তলৈ দিয়া দাবী পত্ৰখন উপেক্ষা কৰা হৈছে। সিহঁতে কি জঘন্য অপৰাধ কৰিছে? তেওঁলোকে ইতিমধ্যে অসমত এবছৰৰ কাৰাবাস খাটিছে আৰু জামিন দিয়া হোৱা নাই। আজনালা হিংসাৰ গোচৰত অমৃতসৰ কাৰাগাৰত বন্দী হৈ থকা প্ৰায় ৩০ জন লোকেও যোৱা তিনিদিন ধৰি অনশন পালন কৰি আছে। ২০২৩ চনৰ ২৩ এপ্ৰিলত প্ৰায় ৩৫ দিন পলাতক হৈ থকাৰ পাছত অমৃতপালক পঞ্জাৱ আৰক্ষীয়ে মোগা জিলাৰ ৰোডে গাঁৱৰ গুৰুদ্বাৰাৰ পৰা গ্ৰেপ্তাৰ কৰে আৰু ডিব্ৰুগড় কাৰাগাৰলৈ প্ৰেৰণ কৰে। ৰাষ্ট্ৰীয় সুৰক্ষা আইনৰ অধীনত গোচৰ ৰুজু কৰি অমৃতপাল সিং আৰু ৯ সহযোগী দলজিৎ সিং কালচি, পাপলপ্ৰীত সিং, কুলৱন্ত সিং ধালিৱাল, ভাৰিন্দৰ সিং জোহাল, গুৰমিত সিং বুক্কানৱালা, হৰজিৎ সিং, ভগৱন্ত সিং, বসন্ত সিং আৰু গুৰিন্দৰপাল সিং ঔজলা বৰ্তমানেও ডিব্ৰুগড় কাৰাগাৰতে আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মনোহৰ যোশীৰ বিয়োগ

অৱস্থাত মৃত্যু হয়। মৃত্যুৰ সময়ত মনোহৰ যোশীৰ বয়স আছিল ৮৬ বছৰ। শিৱসেনাৰ শক্তিশালী নেতাজন হৃদৰোগত আক্ৰান্ত হৈ ২১ ফেব্ৰুৱাৰীৰ পৰা মুম্বাইৰ হিন্দুজা হাস্পতালত ভৰ্তি হৈ আছিল। বিশেষজ্ঞ চিকিৎসকৰ দলৰ তত্বাৱধানত চিকিৎসাধীন চলি আছিল। কিন্তু আজি পুৱা ৩.০২ বজাত তেওঁৰ মৃত্যু হয়। মনোহৰ যোশীৰ অন্ত্যেষ্টিক্ৰিয়া দুপৰীয়া ৩ বজাত কৰা হয়। হ'ব। ৰাজ্যিক সন্মানেৰে দাদৰ শ্মশানত অন্ত্যেষ্টিক্ৰিয়া কৰা হয়। অন্ত্যেষ্টিক্ৰিয়াত মহাৰাষ্ট্ৰৰ কেইবাগৰাকী নেতা উপস্থিত থাকে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মনোহৰ যোশীৰ মৃত্যুত গভীৰ ব্যক্ত কৰে আৰু বিভিন্ন পদত তেওঁৰ অৱদানৰ কথা স্মৰণ কৰে। এজন বিধায়ক হিচাপেও অধ্যৱসায়ৰ বাবে স্মৰণ কৰা হ'ব বুলিও কয় প্ৰধানমন্ত্ৰীয়ে। মনোহৰ যোশীয়ে শিৱসেনা-বিজেপি মিত্ৰজোঁট চৰকাৰত ১৯৯৫ চনৰ পৰা ১৯৯৯ চনলৈ মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ২০০২ চনৰ পৰা ২০০৪ চনলৈ লোকসভাৰ অধ্যক্ষ আছিল। শিৱসেনাৰ জ্যেষ্ঠ নেতাজনে শিক্ষক হিচাপে কৰ্মজীৱন আৰম্ভ কৰিছিল আৰু ১৯৬৭ চনত ৰাজনীতিত প্ৰৱেশ কৰিছিল। যোশীয়ে ১৯৭৬ চনৰ পৰা ১৯৭৭ চনলৈ মুম্বাইৰ মেয়ৰ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ৰাজনৈতিক যাত্ৰা আৰম্ভ কৰিয়েই শিৱসেনাৰ বেনাৰত মহাৰাষ্ট্ৰ বিধান পৰিষদত কাউন্সিলাৰৰ আসন লাভ কৰিছিল। যোশী বালাচাহেব ঠাকৰেৰ এজন বিশ্বাসী বিশ্বাসী আছিল। শেহতীয়াকৈ প্ৰবীণ নেতাজনে সক্ৰিয় ৰাজনীতিৰ পৰা আঁতিৰি আছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আবেদন নাকচ সৰ্বোচ্চ আদালতৰ

অসম চৰকাৰে উক্ত আবেদনৰ জৰিয়তে উত্তৰ দাখিলৰ বাবে অতিৰিক্ত চাৰি সপ্তাহৰ সময়সীমা বিচাৰিছিল যদিও সেয়া দিবলৈ অস্বীকাৰ কৰে আদালতে। শুকুৰবাৰে উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ সূৰ্য কান্ত আৰু ন্যায়াধীশ কে ভি বিশ্বনাথনৰ বিচাৰপীঠে গ্ৰহণ কৰা শুনানিৰ সময়ত ৰাজ্য চৰকাৰৰ অধিবক্তাই উত্তৰ দাখিলৰ বাবে সময়সীমা চাৰি সপ্তাহ বৃদ্ধিৰ বাবে অনুৰোধ জনাইছিল। কিন্তু আদালতে এই আবেদন নাকচ কৰি মাত্ৰ দুসপ্তাহৰ বাবে সময় বৃদ্ধিৰহে অনুমতি প্ৰদান কৰে। আদালতে লগতে স্পষ্ট কৰি দিয়ে যে এই সময়সীমাই উত্তৰ দাখিলৰ বাবে চূড়ান্ত বৃদ্ধিহ'ব। চৰকাৰৰ প্ৰত্যুত্তৰ দিবলৈ পৰ্যাপ্ততকৈ অধিক সময় থকাৰ কথা উল্লেখ কৰি বিচাৰপীঠে অতিৰিক্ত সময়ৰ প্ৰয়োজনীয়তাক লৈও প্ৰশ্ন উত্থাপন কৰে। আবেদনকাৰী অধিবক্তা তথা সমাজ কৰ্মী আৰিফ জৱাদাৰৰ হৈ জ্যেষ্ঠ অধিবক্তা প্ৰশান্ত ভূষণে যুক্তি আগবঢ়ায় যে ২০২৩ চনৰ ১৭ জুলাইত জাননী প্ৰেৰণ কৰি আদালতে ২০২৩ চনৰ ৩১ আগষ্টৰ ভিতৰত উত্তৰ দাখিল কৰিবলৈ নিৰ্দেশ দিছিল। কিন্তু এই সময়ত অসম চৰকাৰে উত্তৰ দাখিল কৰাত ব্যৰ্থ হয় আৰু পৰৱৰ্তী সময়ত ২০২৪ চনৰ ৪ জানুৱাৰীত পুনৰ ন্যায়ালয়ৰ পৰা চাৰি সপ্তাহৰ সময় বিচাৰে আৰু আদালতে সেয়া মঞ্জুৰো কৰে। কিন্তু তাৰ পিছতো অসম চৰকাৰে এতিয়া আৰু অধিক সময় বিচাৰিছে। অধিবক্তা প্ৰশান্ত ভূষণে লগতে কয় যে যিহেতু অসম চৰকাৰে নিজৰ শপতনামা আৰু উচ্চ ন্যায়ালয়ৰ সন্মুখত দাখিল কৰা নথি-পত্ৰৰ ভিত্তিত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায়ক প্ৰত্যাহ্বান জনাইছে, গতিকে উত্তৰ দাখিল কৰিবলৈ অতিৰিক্ত সময়ৰ প্ৰয়োজন হ'ব নালাগে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ক্ষতিপূৰণ গ্ৰহণ কৰিবলৈ অস্বীকাৰ

পৰিয়ালক ১ কোটি টকা আৰু ভগ্নীক চৰকাৰী চাকৰি প্ৰদানৰ ঘোষণা কৰিছিল পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে। কিন্তু এই ক্ষতিপূৰণ ল'বলৈ অস্বীকাৰ কৰি পৰিয়ালে কয় যে শুভকৰণৰ মৃত্যুতকৈ টকা আৰু চাকৰি ডাঙৰ হ'ব নোৱাৰে। আনহাতে ন্যায় লাভ নকৰা পৰ্যন্ত শুভকৰণৰ মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা কৰিবলৈ দিয়াও নহয় বুলি স্পষ্ট কৰি দিছে পৰিয়ালে। উল্লেখ্য যে, কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে নূন্যতম সমৰ্থন মূল্য, পেঞ্চন আদি একাধিক দাবীৰে ৰাজপথত নামিছে দেশৰ কৃষক। পঞ্জাৱ, হাৰিয়ানা আদি ৰাজ্যৰ শ শ কৃষকে 'হাল্লা বোল' কাৰ্যসূচীৰে দিল্লী অভিমুখে ৰাওনা হৈছে। কিন্তু আন্দোলনকাৰী কৃষকক ভেটা দিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছে আৰক্ষীয়েও। হাৰিয়ানাৰ শম্ভু সীমান্তত আন্দোলনকাৰী কৃষকৰ ওপৰত আৰক্ষীয়ে কন্দুৱা গেছ নিক্ষেপ কৰাৰ অভিযোগ উত্থাপন হয়। এই সময়তে মূৰত আঘাত পায় হাস্পতালত মৃত্যু ঘটে ২১ বৰ্ষীয় কৃষক শুভকৰণ সিঙৰ। যুৱ কৃষকজনৰ মৃত্যুৰ পিছতে হাৰিয়ানা আৰক্ষীৰ বিৰুদ্ধে পঞ্জাৱ আৰক্ষীয়ে এটা গোচৰ ৰুজু কৰিছে। ইফালে মুখ্যমন্ত্ৰী ভগৱন্ত মানে সামাজিক মাধ্যমযোগে শুভকৰণৰ পৰিয়ালক ১ কোটি টকাৰ ক্ষতিপূৰণ আৰু তেওঁৰ এগৰাকী ভগ্নীক চাকৰি প্ৰদানৰ প্ৰতিশ্ৰুতি দিয়ে। কিন্তু ইয়াৰ পিছতে কৃষকজনৰ পৰিয়ালে কয়, 'আমি আমাৰ সন্তানৰ ন্যায় বিচাৰো। আমাৰ দুখ টকা আৰু চাকৰিৰে দূৰ কৰিব নোৱাৰে।' আনহাতে শ্বহীদ কৃষকজনৰ পৰিয়ালক পঞ্জাৱ চৰকাৰে ক্ষতিপূৰণ আৰু চাকৰি প্ৰদানৰ ঘোষণা কৰি ভুক্তভোগীক প্ৰভাৱিত কৰিব বিচৰা বুলি অভিযোগ কৰে কৃষক সংগঠনসমূহেও। কৃষক নেতা সৰৱৰ সিং পান্ধেৰে কয় যে পঞ্জাৱ চৰকাৰে ক্ষতিপূৰণ আৰু চাকৰি প্ৰদান কৰাতকৈ অভিযুক্তৰ বিৰুদ্ধে শীঘ্ৰে গোচৰ ৰুজু কৰি আইনী ব্যৱস্থা গ্ৰহণ কৰাৰহে দৰকাৰ। তদুপৰি কৃষক আন্দোলনৰ সময়ত হাৰিয়ানা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা পঞ্জাৱৰ ৫ গৰাকী কৃষকৰ মুক্তিৰ বাবে পঞ্জাৱ চৰকাৰে আগভাগ লোৱা উচিত বুলিও মন্তব্য কৰে কৃষক নেতা পান্ধেয়ে। ইপিনে আজি প্ৰতিবাদথলীত আন এজন প্ৰতিবাদী কৃষকৰ মৃত্যু হৈছে৷ বাথিন্দা জিলাৰ অমৰগড় গাঁৱৰ ৬২ বছৰীয়া কৃষক দৰ্শন সিঙৰ মৃত্যু হয়৷ খানাউৰী সীমান্তত পঞ্চমজন প্ৰতিবাদী কৃষকৰ মৃত্যু হয়৷ ১৩ ফেব্ৰুৱাৰীৰ পৰা খানাউৰী সীমান্তত আছিল দৰ্শন সিং। কৃষকজনৰ পৰিয়ালৰ প্ৰায় ৮ একৰ মাটি আছে আৰু তেওঁ ৮ লাখ টকাৰ ঋণ লৈছিল। ইপিনে যুৱ কৃষক শুভকৰণ সিঙৰ মৃত্যুত আজি সমগ্ৰ দেশে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ প্ৰতিমূৰ্তি জ্বলাই প্ৰতিবাদ সাব্যস্ত কৰি ক'লা দিৱস পালন কৰে৷ অমিত শ্বাহ, হাৰিয়ানাৰ মুখ্যমন্ত্ৰী মনোহৰ লাল খট্টৰ আৰু হাৰিয়ানাৰ গৃহ মন্ত্ৰী অনিল ভিজৰ পদত্যাগ দাবী কৰে৷ হাৰিয়ানা আৰক্ষীয়ে পঞ্জাৱৰ যুৱ কৃষকজনক গুলীয়াই হত্যা কৰাৰ অভিযোগ উত্থাপনৰ পাছতে সংযুক্ত কৃষাণ মৰ্চা, ৰাষ্ট্ৰীয় সমন্বয় সমিতিয়ে ক'লা দিৱস পালনৰ ঘোষণা কৰিছিল৷ আনহাতে হাৰিয়ানা আৰক্ষীয়ে এক্সত দিয়া পোষ্টত দাবী কৰি কয় যে কৃষকৰ আন্দোলন নিয়ন্ত্ৰণ বাবে যোৱা দুই নিৰাপত্তাৰক্ষীৰ বিষয়া নিহত হৈছে৷ বিএছএফৰ উপ-পৰিদৰ্শক কুশল কুমাৰ আৰু হাৰিয়ানা আৰক্ষীৰ উপ-পৰিদৰ্শক বিজয় কুমাৰ নিহত হৈছে৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজীৱ গান্ধী আছিল আৰএছএছ!

নেতা আছিল বুলি দাবী কৰিছে আজমলে৷ ইমানে নহয় কংগ্ৰেছক বিজেপিৰ বি-টিম আখ্যা দিছে আজমলে৷ আজমলে কয় যে প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধী কংগ্ৰেছ দলৰ এক নম্বৰ বিজেপি-আৰএছএছ নেতা আছিল। প্ৰধানমন্ত্ৰী মোদীৰ পূৰ্বে আৰএছএছত নেতা আছিল ৰাজীৱ গান্ধী, পি.ভি নৰসিংহ ৰাও, হিতেশ্বৰ শইকীয়া, তৰুণ গগৈ৷ এই সকলো কংগ্ৰেছ নেতাই বিজেপিৰ হৈ কাম কৰি জনসাধাৰণৰ সৈতে বিশ্বাসঘাতকতা কৰিছিল৷ ইউডিএফৰ মুৰব্বী আজমলে আজি সাংবাদিকৰে মুখামুখি হৈ কয় যে মই যোৱা তিনি মাহ ধৰি অসমত প্ৰচাৰ চলাই আছো৷ যাতে আমাৰ দলে অসমত তিনিখন আসন লাভ কৰিব পাৰে৷ কংগ্ৰেছৰ বাবে ১১ খন আসন এৰি দিছো৷ কিন্তু কংগ্ৰেছৰৰ নেতাসকল বিজেপিৰ ওচৰলৈ গৈয়ে আছে৷ ইয়াৰ দ্বাৰা এটা কথাই প্ৰমাণ হয় যে কংগ্ৰেছ দলটো অসমত বিজেপিৰ বি-টিম৷ আমাক পৰাজিত কৰিবলৈ কংগ্ৰেছ-বিজেপিয়ে ঐক্যবদ্ধভাৱে যুঁজ দিব। আমাক নগাঁও আৰু কৰিমগঞ্জত প্ৰত্যাহ্বান জনাব৷ কিন্তু ধুবুৰীৰ বাবে মই চিন্তিত নহয়৷ বদৰুদ্দিন আজমলে আৰু কয় যে ধুবুৰীত ৰকিবুল হুছেইন হৈছে এক নম্বৰ প্ৰতিদ্বন্দ্বী৷ নগাঁৱত প্ৰতিদ্বন্দ্বী গৌৰৱ গগৈ আৰু প্ৰদ্যুৎ বৰদলৈ। তথাপিও মই চিন্তিত নহয়, কিয়নো মই আত্মবিশ্বাসী।



ত্ৰিপুৰাতো ইণ্ডিয়া জোঁট, ত্ৰিপুৰা কংগ্ৰেছৰ সভাপতি আশীষ সাহা আৰু টিপ্ৰা মথাৰ মুৰব্বী প্ৰদ্যুত দেব বাৰ্মৰ বৈঠক

# পথ দুৰ্ঘটনাত বি আৰ এছৰ বিধায়িকা লাচিয়া নন্দিতাৰ মৃত্যু

**হায়দৰাবাদ, ২৩ ফেব্ৰুৱাৰীঃ** ১৩ ফেব্ৰুৱাৰীত সংঘটিত হৈছিল এক ভয়ংকৰ দুৰ্ঘটনা। সেই দুৰ্ঘটনাত দেহৰক্ষীগৰাকীৰ মৃত্যুগৰাকীৰ মৃত্যু ঘটিছিল যদিও প্ৰাণৰক্ষা পৰিছিল তেওঁৰ। কিন্তু এই দুৰ্ঘটনাৰ মাত্ৰ ১০ দিন পিছতে সংঘটিত আন এক পথ দুৰ্ঘটনাই এইবাৰ প্ৰাণ কাঢ়ি লৈ যায় বিধায়িকাগৰাকীৰ। শুকুৰবাৰে হায়দৰাবাদত সংঘটিত এক পথ দুৰ্ঘটনাত ৩৬ বছৰ বয়সতে মৃত্যু ঘটে ভাৰত ৰাষ্ট্ৰ সমিতি চমুকৈ বি আৰ এছৰ বিধায়িকা জি লাচিয়া নন্দিতা। চেকেন্দ্ৰাবাদ সমষ্টিৰ পৰা প্ৰথমবাৰৰ বাবে বিধানসভালৈ নিৰ্বাচিত হোৱা নন্দিতাই শুকুৰবাৰে হায়দৰাবাদৰ উপকণ্ঠ চেংগেৰ্ডি জিলাৰ আউটাৰ ৰিং ৰোডেৰে যাত্ৰা কৰাৰ সময়তে তেওঁৰ বাহনখনে নিয়ন্ত্ৰণ হেৰুৱাই ডিভাইডাৰ খুন্দা মাৰি পথৰ দাঁতিত লুটি খাই পৰে। এই দুৰ্ঘটনাত বিধায়িকাগৰাকীৰ থিতাতে মৃত্যু ঘটাৰ বিপৰীতে গুৰুতৰভাৱে আহত হয় তেওঁৰ চালকগৰাকী। উল্লেখ্য যে, ইয়াৰ পূৰ্বে ১৩ ফেব্ৰুৱাৰীত এক ভয়ংকৰ দুৰ্ঘটনাত পতিত হৈছিল জি লাচিয়া নন্দিতা। সেইদিনা তেলেংগানাৰ মুখ্যমন্ত্ৰী ৰেৱন্ত ৰেড্ডীৰ এক ৰেলীত অংশগ্ৰহণ কৰিবলৈ যোৱাৰ সময়তে সুৰাসক্ত বাহন চালকে তেওঁৰ বাহনত সন্মুখৰ পৰা প্ৰচণ্ড জোৰে খুন্দা মৰাত থিতাতে প্ৰাণ হেৰুৱাইছিল বিধায়িকাগৰাকীৰ এজন দেহৰক্ষীয়ে। অৱশ্যে সেই দুৰ্ঘটনাত সামান্য আঘাত পায়েই প্ৰাণৰক্ষা পৰিছিল নন্দিতাৰ। মন কৰিবলগীয়া যে, বিধায়িকা হিচাপে নিৰ্বাচিত হোৱাৰে পৰা কেইবাটাও দুৰ্ঘটনাত পতিত হৈছে নন্দিতা। যোৱা তিনি মাহত তিনিটাকৈ পথ দুৰ্ঘটনাত পতিত হোৱা বিধায়িকাগৰাকীয়ে অৱশেষত শুকুৰবাৰে দুৰ্ঘটনাতে প্ৰাণ হেৰুৱাবলগীয়া হয়। পূৰ্বে এবাৰ লিফ্ট দুৰ্ঘটনাতো পতিত হৈছিল নন্দিতা।

## অসমৰ মানচেষ্টাৰ শুৱালকুছিত মুগা ফাৰ্ম সংলগ্ন পাহাৰত খনন

# মুখ্যমন্ত্ৰীৰ সমষ্টিত দিনৰ পোহৰতে সেউজীয়া পাহাৰ ধ্বংস




**ই-সংবাদ, শুৱালকুছি, ২৩ ফ্ৰেব্ৰুৱাৰীঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সমষ্টি জালুকবাৰীত এতিয়া সেউজীয়া পাহাৰ ধ্বংসৰ প্ৰতিযোগিতা চলিছে৷ দিনে-নিশাই পাহাৰৰ ৰঙামাটি খনন কৰি থকা হৈছে৷ শাসন, প্ৰশাসন, বনবিভাগ সকলোবোৰ মেনেজ হোৱাৰ ফলতে সেউজীয়া পাহাৰসমূহ এফালৰ পৰা ধ্বংস কৰি থকাৰ অভিযোগ উঠিছে৷ দিনৰ পোহৰতে বীৰদৰ্পে এক্সকিভেটৰেৰে পাহাৰ খনন কৰি ডাম্পাৰ যোগে ৰঙামাটি কঢ়িয়াই থকা হৈছে৷ কিন্তু সকলো দেখি-শুনিও মুখত পিঠা ভৰাই থৈছে একাংশ প্ৰকৃতিপ্ৰেমী৷ পাহাৰ ধ্বংসৰ দৃশ্যই ব্যথিত কৰিছে সচেতন নাগৰিকক৷ মাহৰ পাছত মাহ ধৰি পাহাৰ ধ্বংস কৰি থকাৰ দৰেই আজিও পাহাৰ ধ্বংস কৰি থকা হৈছে৷ ৰাজকোষৰ কোটি কোটি টকা খৰছ কৰি সেউজীকৰণৰ বাবে বৃক্ষৰোপণ কৰিছে চৰকাৰে৷ সেই সময়তে অসমৰ মানচেষ্টাৰ খ্যাত বস্ত্ৰনগৰী শুৱালকুছিত গছ-গছনিৰে ভৰি থকা সেউজীয়া ইতিহাস প্ৰসিদ্ধ বৰ নিজৰা তথা মুগা ফাৰ্ম সংলগ্ন ঐতিহাসিক পাহাৰসমূহত দিনে-নিশাই খনন চলিছে৷এক্সকিভেটৰ ডাম্পাৰ আদিৰ সহায়ত সেউজীয়া পাহাৰ কাটি সম্পূৰ্ণভাৱে ভৈয়াম সদৃশ কৰি হৈছে৷ শুৱালকুছিত অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ভূমি পুতিবলৈ অৰিয়েণ্টেল ইঞ্জিনিয়াৰ নামৰ এটি প্ৰতিষ্ঠানে শুৱালকুছি বৰনিজৰাস্থিত পাহাৰৰ ৰঙামাটি খননৰ বাবে অনুমতি উলিয়াইছিল। কিন্তু অৰিয়েণ্টেল ইঞ্জিনীয়াৰ নামৰ প্ৰতিষ্ঠানটোৱে শুৱালকুছি অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ভূমি পোতাৰ পৰিৱৰ্তে মাটি বিক্ৰী কৰি ধন ঘটাৰ অভিযোগ উত্থাপন হৈছে৷ অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ আশে পাশে থকা জৈনক বৈশ্য আৰু কলিতা নামৰ লোকৰ ভূমি পুতি থকা হৈছে৷ ঐতিহাসিক শুৱালকুছি বৰনিজৰা তথা মুগা ফাৰ্ম সংলগ্ন ঐতিহাসিক পাহাৰ খনন কৰি এতিয়া ব্যৱসায় চলাইছে অৰিয়েণ্টেল ইঞ্জিনিয়াৰ নামৰ প্ৰতিষ্ঠানে৷ অবৈধ ভাৱে প্ৰায় ৮০ শতাংশ খনন কৰি ইতিমধ্যে ভৈয়াম সদৃশকৰি পেলোৱাৰ অভিযোগ উত্থাপন কৰিছে ৰাইজে৷ স্থানীয় সচেতন ৰাইজ তথা দল সংগঠনক গুৰুত্ব নিদি অবাধে বন ধ্বংস চলাই থকা হৈছে৷ কামৰূপ জিলা প্ৰশাসন, হাজোৰ চক্ৰ বিষয়া, বন বিভাগ তথা সংশ্লিষ্ট কৰ্তৃপক্ষ মৌন হৈ থকাত স্থানীয় ৰাইজ তথা দল সংগঠনৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে৷ কামৰূপ জিলা প্ৰশাসন, হাজো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়, বন বিভাগ, আৰক্ষীয়ে নিৰ্লিপ্ত ভূমিকা পালন কৰাৰ অভিযোগ স্থানীয় দল-সংগঠনৰ৷ এসময়ৰ সেউজ পাহাৰ দুষ্ট চক্ৰৰ অবাধ খননৰ ফলত এতিয়া টকলা তথা ভৈয়াম সদৃশ হৈ পৰিছে৷ চৰকাৰে সততে পৰিবেশ সংৰক্ষণৰ কথা কয় যদিও মুখ্যমন্ত্ৰীৰ সমষ্টিৰ অন্তৰ্গত শুৱালকুছি বৰনিজৰাত দিনে-নিশাই সেউজীয়া পাহাৰ ধ্বংস কৰাত উদ্বিগ্ন দল-সংগঠন, প্ৰকৃতি প্ৰেমী৷

# লোকসভা নিৰ্বাচনত বংগ জয়ৰ আশাৰে ৰণডংকা বজাবলৈ সাজু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী

## মাৰ্চৰ প্ৰথম সপ্তাহতে প্ৰধানমন্ত্ৰীৰ ৩দিনীয়া পশ্চিম বংগ ভ্ৰমণ

**নতুন দিল্লী, ২৩ফেব্ৰুৱাৰীঃ** আগন্তুক লোকসভা নিৰ্বাচনক লৈ কঁকালত টঙালি বান্ধিছে বিজেপি আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। বিশেষকৈ অবিজেপি শাসিত ৰাজ্যৰ প্ৰতি এইবাৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে বিশেষ নজৰ দিছে প্ৰধানমন্ত্ৰী মোদীয়ে। দক্ষিণ ভাৰতত বিজেপিৰ ভেটি স্থাপনৰ প্ৰয়াসৰ মাজতে আন এখন অবিজেপি শাসিত ৰাজ্য পশ্চিম বংগত মাৰ্চৰ প্ৰথম সপ্তাহতে তিনিদিনীয়া ভ্ৰমণসূচীৰে নিৰ্বাচনী ৰণদঙ্কা বজাবলৈ সাজু হৈছে নৰেন্দ্ৰ মোদী। পশ্চিম বংগ ৰাজ্যিক বিজেপিয়ে শুকুৰবাৰে প্ৰকাশ কৰা মতে, অহা ১ আৰু ২ মাৰ্চত পশ্চিমবংগ ভ্ৰমণ কৰিব প্ৰধানমন্ত্ৰী মোদীয়ে। ইয়াৰ পিছত ৬ মাৰ্চত পুনৰ এবাৰ তেওঁ যাব মমতাৰ ৰাজ্যখনলৈ। , ৰাজ্যিক বিজেপিয়ে জানিবলৈ দিয়া মতে১ মাৰ্চত মোদীয়ে আৰামবাগত আৰু ২ মাৰ্চত কৃষ্ণনগৰত বিশাল জনসভা সম্বোধন কৰিব। ৬ মাৰ্চত তেওঁ উত্তৰ ২৪ পৰগণা জিলাৰ বৰাসাট ভ্ৰমণ কৰি তাত এক মহিলা সমাবেশত অংশ ল'ব। প্ৰধানমন্ত্ৰী মোদীৰ এই ভ্ৰমণকালত সন্দেশখালীৰ ভুক্তভোগী মহিলাসকলে যদি প্ৰধানমন্ত্ৰীক লগ কৰিব বিচাৰে, তেন্তে সাক্ষাতৰ ব্যৱস্থা কৰা হ'ব বুলি মন্তব্য কৰে ৰাজ্যিক বিজেপিৰ মুৰব্বী সুকান্ত মজুমদাৰে। উল্লেখ্য যে, বিগত কিছুদিনত সন্দেশখালীৰ ঘটনাক লৈ উত্তপ্ত হৈ পৰিছে পশ্চিম বংগৰ ৰাজনীতি। বৃহৎ সংখ্যক মহিলাই তৃণমূল কংগ্ৰেছৰ জ্যেষ্ঠ নেতা শ্বাহজাহান শ্বেইখ আৰু তেওঁৰ সমৰ্থকসকলৰ বিৰুদ্ধে ভূমি বেদখল আৰু যৌন নিৰ্যাতনৰ অভিযোগ উত্থাপন কৰাৰ পিছতে ইয়াক লৈ উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি ।কৰিছে বিৰোধী দল বিজেপিয়ে। ইফালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও তেওঁৰ পশ্চিম বংগ ভ্ৰমণৰ সময়ত এই অভিযোগক ৰাজনৈতিক ইছ্যু হিচাপে উত্থাপন কৰাৰ সম্ভাৱনা ব্যক্ত কৰা হৈছে। মন কৰিবলগীয়া যে, সন্দেশখালীৰ ভুক্তভোগীক সাক্ষাৎ কৰিবলৈ যোৱাৰ সময়তে বিজেপিৰ নেতা শুভেন্দু অধিকাৰীয়ে এগৰাকী পাগুৰি পিন্ধা শিখ ধৰ্মাৱলম্বী শীৰ্ষ আৰক্ষী বিষয়াক 'খালিস্তানী' বুলি অভিহিত কৰাৰ অভিযোগ উত্থাপন কৰিছে তৃণমূল কংগ্ৰেছে। এই ঘটনাৰ এটা ভিডিঅ'ও সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে

# ‘অসমৰ ভৱিষ্যত সুৰক্ষিত কৰিব খুজিছো’

**ই-সংবাদ, ২৩ ফ্ৰেব্ৰুৱাৰীঃ** আজি অসম চৰকাৰৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই উজনি অসম ভ্ৰমণ কৰি কেইবাটাও কাৰ্যসূচীত অংশ লয়। মূলত অসমৰ থলুৱা জাতি-জনগোষ্ঠীক ভূমি পট্টা প্ৰদানৰ কাৰ্যসূচীত অংশ লৈ কেইবাটাও পৰিয়ালক ভূমি পট্টা প্ৰদান কৰে জয়ন্তমল্ল বৰুৱাই। মিছন বসুন্ধৰা ২.০ অভিযানৰ অধীনত দুলীয়াজান সমষ্টিৰ ৩,৭৫৭ আৰু নাহৰকটীয়া সমষ্টিৰ ৪,২৮২ হিতাধিকাৰীক ভূমিৰ পট্টা বিতৰণ কৰে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই। নাহৰকটীয়াৰ নগাঁও হাজোৰা পথাৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত পট্টা বিতৰণ কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী,নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈ উপস্থিত থাকে। আনহাতে দুলীয়াজানৰ বিহুতলীৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত পট্টা বিতৰণ কাৰ্যসূচীত দুলীয়াজান সমষ্টিৰ বিধায়ক তেৰচ গোৱালা উপস্থিত থাকে। মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই পট্টা বিতৰণ অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক ভূয়সী প্ৰশংসা কৰে। খিলঞ্জীয়া লোকসকলক ভূমিৰ অধিকাৰ প্ৰদান কৰি শ-শ পৰিয়ালক সামাজিক ন্যায় আৰু অনাগত প্ৰজন্মৰ ভৱিষ্যত সুৰক্ষিত কৰা বুলি দাবী কৰে। মিছন বসুন্ধৰা ১.০ আৰু ২.০ ৰ সফলতাৰ অন্তত ভূমি সমস্যা সমাধানৰ বাবে মিছন বসুন্ধৰা ৩.০ আৰম্ভ কৰা হ'ব। আমাৰ চৰকাৰে খিলঞ্জীয়াৰ পৰৱৰ্তী প্ৰজন্মৰ বাবে কাম কৰিছে।



# সংবাদ পত্ৰ 'জননী বাৰ্তা'ৰ ২৯সংখ্যক প্ৰতিষ্ঠা দিৱস সম্পন্ন


**ই-সংবাদ, খুমটাই, ২৩ ফেব্ৰুৱাৰীঃ** চাহ বাগিছা অঞ্চলৰ পৰা প্ৰকাশিত এক মাত্ৰ সংবাদ পত্ৰ "জননী বাৰ্তা"ৰ ২৯ সংখ্যাক প্ৰতিষ্ঠা দিৱস দক্ষিণহেঙেৰা চাহ বাগিছা খেল পথাৰত ১৯ আৰু ২০ দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। প্ৰথম দিনা ছাত্ৰ -ছাত্ৰী সকলৰ মাজত চিঠি লিখা ,চুটি গল্প লিখাৰ প্ৰতিযোগীতা উন্মোচন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক বিজয় তাঁতীয়ে। দ্বিতীয় দিনা পুৱা পতাকা উত্তোলন কৰে জননী বাৰ্তাৰ মুখ্য সম্পাদক মাখন লাল বাঢ়ৈয়ে, স্মৃতি তৰ্পণ কৰে দক্ষিণ হেঙেৰা চাহ বাগিছাৰ মুখ্য পৰিচালক প্ৰশান্ত ঠাকুৰে, বন্তি প্ৰজ্বলন কৰে নবীন কৰ্মকাৰে। ইয়াৰ পিছতে সাংস্কৃতিক । শুভাযাত্ৰা উদ্বোধন কৰে শিক্ষক লক্ষীচৰন কুৰ্মীয়ে।দিনৰ ভাগত উদযাপন সমিতিৰ সভাপতি চবিলাল মাহত্বৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা মুকলি আদৰণী ভাষণ প্ৰদান কৰে অভ্যৰ্থনা সমিতিৰ সম্পাদক সুভাষ কৰ্মকাৰে। জননী বাৰ্তাৰ মুখ্য সম্পাদক মাখন লাল বাঢ়ৈয়ে উদ্দেশ্যে বাখ্যা কৰা দিৱসৰ আঁত ধৰে বাৰ্তাৰ সম্পাদক সোনেশ্বৰ বাঢ়ৈয়ে। সভাত সন্মানীয় অতিথি সৰ্বভাৰতীয় ক্ষুদ্ৰ বাতৰি কাকত সংস্থা, উত্তৰ পূৰ্বাঞ্চলৰ সভাপতি সঞ্জীৱ নাৰায়ণ দাস, আপকু কেন্দ্ৰীয় সমিতিৰ কোষাধ্যক্ষ নবীন গোহাঁই,নুমলীগড় শোধানাগাৰ শাখা সাহিত্য সভাৰ সভাপতি হেমন্ত কুমাৰ থ,সম্পাদক অজিত কুমাৰ দাস উপস্থিত থাকি বক্তব্য প্ৰদান কৰে । অনুষ্ঠানৰ লগত সংগতি ৰাখি "জননী বাৰ্তা"ৰ বিশেষ সংখ্যা উন্মোচন কৰে জ্যেষ্ঠ সাংবাদিক লোহিত গগৈয়ে। নিদিষ্ট বক্তা সাংবাদিক ধ্ৰুৱজ্যোতি সাহা, বিশিষ্ট অতিথি অসম চাহ জনজাতি জাতীয় সন্মিলনী সভাপতি পৃথি মাঝি,অসম চাহ জনগোষ্ঠী সাহিত্য সভা, কেন্দ্ৰীয় সমিতিৰ প্ৰধান সম্পাদক সঞ্জীৱ কৈৰী, আটছা কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক জগদীশ বৰাইক,আটছা গোলাঘাট জিলা সমিতিৰ সভাপতি ৰাবুল তুৰিৰ লগতে জিলা সম্পাদক উপস্থিত থকা অনুষ্ঠানত অসম চাহ মজদুৰ সংঘৰ গোলাঘাট শাখাৰ সম্পাদক ঘনশ্যাম বাঢ়ৈ, তিতাবৰ শাখাৰ সম্পাদক নগেন কুৰ্মী, যোৰহাট শাখাৰ নিলেচ গণক জননী বাৰ্তা তৰফৰ পৰা বিশেষ ভাৱে সম্বৰ্ধনা জনোৱা হয়। সভাৰ আৰম্ভণিতে স্থানীয় বিদ্যালয়ৰ ছাত্ৰীসকলৰ কোৰাচ পৰিবেশন কৰে

# অশ্ৰুসিক্ত নয়নেৰে কোকৰাঝাৰৰ পৰা বিদায় দিলে শিক্ষা বিষয়াক

**ই-সংবাদ, কোকৰাঝাৰ, ২৩ ফেব্ৰুৱাৰীঃ** কোকৰাঝাৰ শিক্ষাখণ্ডৰ পৰা কচুগাঁও শিক্ষাখণ্ডলৈ বদলি হোৱা খণ্ড শিক্ষা বিষয়া তথা খণ্ড মিচন সমন্বয়ক প্ৰদীপ কুমাৰ গয়াৰীৰ আজি বিদায়কালিন সভা অনুষ্ঠিত হয়। কোকৰাঝাৰ খণ্ড শিক্ষা বিষয়াৰ কাৰ্যালয় প্ৰাংগনত অনুষ্ঠিত হোৱা উক্ত বিদায়ী সভাৰ সভাপতিত্ব কৰে নৱনিযুক্ত খণ্ড শিক্ষা বিষয়া তথা খণ্ড মিচন সমন্বয়ক নিৰ্মল নাৰ্জাৰীয়ে। কোকৰাঝাৰ শিক্ষা খণ্ডৰ প্ৰায় শতাধিক শিক্ষক উপস্থিত থকা উক্ত বিদায়ী সভাত শিক্ষা বিষয়া প্ৰদীপ কুমাৰ গয়াৰীয়ে কোকৰাঝাৰ শিক্ষাখণ্ডৰ শিক্ষক-কৰ্মচাৰীৰ সতে কটোৱা সময়খিনি মধুৰতম সময় আছিল বুলি মন্তব্য কৰি শিক্ষকসকলৰ নিষ্ঠা আৰু সততাৰ শলাগ লয়। শিক্ষকৰ সমস্যাসমুহ সমাধান কৰিবলৈ তেওঁ পাৰ্যমানে চেষ্ঠা কৰিছিল বুলি মন্তব্য কৰি মাহৰ প্ৰথম দিনটোতে শিক্ষকৰ হাতত দৰমহা তুলি দিবলৈ তেওঁ অহোপুৰুষাৰ্থ চেষ্ঠা কৰা বুলি মন্তব্য কৰে। সকলোৰে সহায়-সহযোগিতা লাভ কৰাটো তেওঁৰ কাৰ্যকালৰ অন্যতম দিশ আছিল আৰু ইয়াৰ বাবে শিক্ষক -কৰ্মচাৰীক কৃতজ্ঞতা জ্ঞাপন কৰি অজানিতে হোৱা ভুল -ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি আৱেগিক হৈ পৰে। আনহাতে বিদায়ী সভাত উপস্থিত থকা শিক্ষক সন্মিলনীৰ প্ৰতিনিধি , চিআৰচিচিৰ প্ৰতিনিধি, আৰু শিক্ষক -শিক্ষয়িত্ৰীসকলে কিতাপ, ফুলৰ থোপা, গামোচা, আৰনাই, কাপোৰ আদি ইত্যাদি উপহাৰ দি প্ৰদীপ কুমাৰ গয়াৰীক বিদায় সম্বৰ্ধনা জনায়। কোকৰাঝাৰ শিক্ষাখণ্ডত নতুনকৈ খণ্ড মিচন সমন্বয়কতথা খণ্ড শিক্ষা বিষয়া হিচাপে যোগদান কৰা নিৰ্মল নাৰ্জাৰীক শিক্ষক সন্মিলনীৰ প্ৰতিনিধি আৰু শিক্ষক শিক্ষয়িত্ৰীসকলে আদৰণি জনায়। তদুপৰি বিদালয় সহ উপ-পৰিদৰ্শক নৰকৃষ্ণ ৰায়কো আজিৰ সভাতে বিদায়ী সম্বৰ্ধনা জনোৱা হয়। নৱনিযুক্ত খণ্ড মিচন সমন্বয়ক তথা খণ্ড শিক্ষা বিষয়া নিৰ্মল নাৰ্জাৰীয়ে সকলোকে শুভেচ্ছা জ্ঞাপন কৰি অনাগত সময়ছোৱাত কোকৰাঝাৰ শিক্ষাখণ্ড সকলোৰে প্ৰচেষ্ঠাত জিলিকি উঠিব বুলি মন্তব্য কৰে। আজিৰ বিদায়ী সভাত শিক্ষা বিষয়া তথা বিদ্যালয় উপপৰিদৰ্শক সৌমদৌন নাৰ্জাৰী, এমআইএচ ফিৰদুছ হুছেইনো উপস্থিত আছিল। উল্লেখ্য যে বদলি হোৱা শিক্ষা বিষয়া প্ৰদীপ কুমাৰ গয়াৰীক আজি অশ্ৰুসিক্ত নয়নেৰে বিদায় দিয়ে কোকৰাঝাৰ শিক্ষাখণ্ডৰ অন্তৰ্গত শিক্ষক-শিক্ষয়িত্ৰীসকলে।

# বসন্ত-কমলাক্ষৰ বিপদ আসন্ন! ২৪ ঘণ্টাৰ ভিতৰত কাৰণ দৰ্শোৱাৰ জাননী কংগ্ৰেছৰ

**ই-সংবাদ, ২৩ ফেব্ৰুৱাৰীঃ** হিমন্ত বিশ্ব শৰ্মা চৰকাৰক সমৰ্থন ঘোষণা কৰা দুই বিধায়ক কমলাক্ষ দে' পুৰকায়স্থ আৰু বসন্ত দাসক কাণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে অসম কংগ্ৰেছে। অসম প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক (সংগঠন) বিপুল গগৈয়ে চৰকাৰক সমৰ্থন আগবঢ়োৱা দুই বিধায়কে বিধানসভাত দলৰ হুইপ অমান্য কৰাৰ পাছতে কাৰণ দৰ্শোৱাৰ জাননী প্ৰদান কৰিছে। দুয়ো বিধায়কে দল বিৰোধী কিছু মন্তব্য সংবাদ মাধ্যমৰ আগত আগবঢ়াইছিল। বসন্ত দাসে কংগ্ৰেছৰ বিধায়ক নহয়, মঙলদৈৰহে বিধায়ক বুলি সংবাদমাধ্যমত মন্তব্য দিছিল। আনহাতে বিগত দিনকেইটাত বিধায়ক কমলাক্ষ দে' পুৰকায়স্থই দলৰ বিৰুদ্ধে মন্তব্য প্ৰদান কৰিছিল। তাৰ লগতে আজি বিধানসভাত দলৰ হুইপ অমান্য কৰিছিল দুই বিধায়কে। আজি সদনত প্ৰস্তাৱৰ সপক্ষে ভোটদানৰ পৰা বিৰত আছিল দুই বিধায়ক কমলাক্ষ দে' পুৰকায়স্থ আৰু বসন্ত দাস। প্ৰস্তাৱৰ সপক্ষে ভোটদান নকৰি প্ৰক্ৰিয়াৰ পৰা আতৰি থকাত কংগ্ৰেছৰ বিধায়ক কামলাক্ষ দে' পুৰকায়স্থ আৰু বসন্ত দাসক কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰা হৈছে। অসম প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক (সংগঠন) বিপুল গগৈয়ে জাননীত উল্লেখ কৰা মতে, এপিচিচিৰ সভাপতি ভূপেন কুমাৰ বৰাৰ দৃষ্টিগোচৰ হৈছে যে উন্নয়নৰ বিষয়ত বিজেপি চৰকাৰক সমৰ্থন আগবঢ়োৱাৰ কথা কৈ সংবাদ মাধ্যমত বিবৃতি দিছে। মুখ্যমন্ত্ৰী অসম ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতি বিশ্বাস আৰু আনুগত্য ৰাজহুৱাভাৱে প্ৰকাশ কৰিছে। জাননী উল্লেখ কৰা হৈছে যে দুয়ো বিধায়কে এপিচিচিৰ সভাপতি ভূপেন বৰাৰ নিৰ্দেশত অনুশাসনমূলক ব্যৱস্থাৰ সন্মুখীন হ'ব। লগতে বিপুল গগৈয়ে কাৰণ দৰ্শোৱা জাননীত উল্লেখ কৰিছে যে শেহতীয়া মন্তব্য আৰু কাৰ্যকলাপে দলীয় কৰ্মীসকলৰ মনত ভুল ধাৰণা সৃষ্টি কৰিছে। কংগ্ৰেছ দলৰ ভাবমূৰ্তি কলুষিত কৰিছে। এনে বিষয়ৰ প্ৰতি লক্ষ্য ৰাখি, এপিচিচি সভাপতিক কাৰণ দৰ্শাওক। দলে কিয় অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰিব নালাগে সেই বিষয়ে এদিনৰ ভিতৰত স্থিতি স্পষ্ট কৰক। বিৰোধী বিধায়ক অখিল গগৈৰ আৰু বিৰোধী বিধায়কে বিধানসভাত উত্থাপন কৰা এক প্ৰস্তাৱক লৈ ভোটদান অনুষ্ঠিত হয়। ভোটদানৰ সময়ত দুয়ো বিধায়কে বিধানসভা ত্যাগ কৰিছিল। বিধানসভাত অসম চৰকাৰে মাথোঁ ৩৭টা ভোটত জয়ী হয়। কিয়নো বিজেপি আৰু মিত্ৰজোঁটৰ সংখ্যাগৰিষ্ঠ বিধায়ক বিধানসভাত উপস্থিত নাছিল। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই দুই বিধায়কক অযোগ্যতা কৰিবলৈ বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীক পত্ৰ প্ৰদান কৰে। দেৱব্ৰত শইকীয়াই কয় যে কংগ্ৰেছ বিধায়িনী দলৰ নেতা হিচাপে, ভাৰতৰ সংবিধানৰ দশম অনুসূচীৰ অনুচ্ছেদ ১৯১(২)ৰ অধীনত অধ্যক্ষক দুখন অযোগ্যতাৰ আৱেদন দাখিল কৰা হৈছে। কামলাক্ষ দে' পুৰকায়স্থ, বসন্ত দাসক বিধানসভাৰ সদস্যপদ অযোগ্য ঘোষণা কৰাৰ আৰ্জি দিয়া হৈছে। দুই বিধায়কক স্বেচ্ছাই ভাৰতীয় জাতীয় কংগ্ৰেছৰ সদস্যপদ ত্যাগ কৰাৰ কথাও কয় শইকীয়াই।



ডুমডুমাত মিছন বসুন্ধৰা আঁচনিৰ অধীনত ভূমি পট্টা বিতৰণ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ

শেষ পৃষ্ঠা

## ৰাঁচী টেষ্ট

# ইংলেণ্ডৰ ৩০২

**ৰাঁচী, ২৩ ফেব্ৰুৱাৰীঃ** আজিৰে পৰা ভাৰত আৰু ইংলেণ্ডৰ মাজত আৰম্ভ হোৱা চতুৰ্থ টেষ্টৰ প্ৰথম দিনা ভ্ৰমণকাৰী দলটোৱে সাত উইকেটত ৩০২ ৰান সংগ্ৰহ কৰিছে। দলৰ হৈ বেটিঙত মুখ্য ভূমিকা গ্ৰহণ কৰে জো ৰুটে। তেওঁ ১০৬ ৰান কৰি বেটিং কৰি আছে। টছত জয়ীহৈ প্ৰথমে বেটিং কৰা ইংলেণ্ডে সতৰ্কভাৱে আৰম্ভ কৰি প্ৰাৰম্ভিক যুটিত ৪৭ ৰান সংগ্ৰহ কৰে। ইয়াতে দুটা উইকেট পতন ঘটে দলটোৰ। এটা সময়ত ৫৭ ৰানত তিনিটা উইকেট হেৰুৱাই বিপদত পৰে ইংলেণ্ড। ইয়াৰ পৰা দলক উদ্ধাৰ কৰে ৰুট আৰু জনী বেয়াৰ্ষ্টই। বেয়াৰ্ষ্টই ৩৮ ৰান কৰে। বেন ফোৱাক্স ৪৭, জেক ক্ৰাউলীয়ে ৪২ ৰানৰ বৰঙণি যোগায়। দিনান্তত ৰুটৰ লগত ৩১ ৰানত বেটিং কৰি আছে অলী ৰবিনচনে। ভাৰতৰ হৈ বলিঙত অভিষেককাৰী আকাশ দ্বীপ তিনিটা, মহম্মদ ছিৰাজে দুটা আৰু ৰবীন্দ্ৰ জাদেজা আৰু ৰবীচন্দ্ৰন অশ্বিনে এটাকৈ উইকেট দখল কৰে।

## আই পি এল

# চি এছ কে বনাম আৰ চি বি

**মুম্বাই, ২৩ ফেব্ৰুৱাৰীঃ** আই পি এল-২০২৪ ৰ সময়-সূচী প্ৰকাশ পাইছে। সেই হিচাপে ২২ মাৰ্চত এম এ চিদাম্বৰম ষ্টেডিয়ামত চেন্নাই চুপাৰ কিংছ আৰু ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰু প্ৰথম মেছত প্ৰতিদ্বন্দ্বীতা কৰিব। ইফালে কাইলৈৰ পৰা উইমেন প্ৰিমিয়াৰ লীগ আৰম্ভ হ'ব। পাঁচটা দলৰ প্ৰতিযোগিতাখনি ১৭ মাৰ্চত সামৰণি পৰিব।ভাৰতসহ বিদেশী খেলুৱৈয়ে আগন্তুক টি২০ বিশ্বকাপ ২০২৪ (T20 World Cup 2024)ৰ প্ৰস্তুতি চলাব।




Ads Via G-Adsense


## প্ৰধান শিক্ষকৰ কাণ্ডত তীব্ৰ প্ৰতিক্ৰিয়া

# চৰকাৰী বিদ্যালয়ত নিতৌ চলে জৰা-ফুকা

**অনলাইন ফিৰ্চাছ, ২৩ফেব্ৰুৱাৰীঃ** যি বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীক ভৱিষ্যত গঢ়াৰ পাঠ দিয়া হয়, সেই বিদ্যালয়তে অন্ধ বিশ্বাসৰ বলি হৈ ভূত-প্ৰেত খেদাৰ নামত জৰা-ফুকা চলাই আহিছে খোদ প্ৰধান শিক্ষকে। মধ্যপ্ৰদেশৰ শ্বাহদোলৰ এখন চৰকাৰী বিদ্যালয়ৰ পৰা পোহৰলৈ অহা এনে এক ঘটনাই সৃষ্টি কৰিছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। খোদ বিদ্যালয়ৰ প্ৰধান শিক্ষকে অন্ধবিশ্বাসৰ বলি হৈ বিদ্যালয়ত ভূত-প্ৰেত খেদাৰ অভিযান চলাই আহিছে দীৰ্ঘদিনৰ পৰা। এই ঘটনা সংঘটিত হৈছে শ্বাহদোল জিলাৰ বুঢ়াৰ উন্নয়ন খণ্ডৰ ছোটকী টোলা বিদ্যালয়ত। ১৫৭ গৰাকী শিক্ষাৰ্থী থকা এই চৰকাৰী বিদ্যালয়খনত পঞ্চম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে পাঠদান কৰা হয়। মুঠ ৫ গৰাকী শিক্ষক আছে বিদ্যালয়খনত। অভিযোগ অনুসৰি, প্ৰতিদিনেই বিদ্যালয়ৰ পুৱাৰ প্ৰাৰ্থনাৰ সময়ত ছাত্ৰ-ছাত্ৰীসকল এজন এজনকৈ অচেতন হ'বলৈ আৰম্ভ কৰে। বিদ্যালয়খনৰ প্ৰধান শিক্ষকে কয় যে ইয়াৰ পিছত জৰা-ফুকা কৰিলেহে শিক্ষাৰ্থীসকলে চেতনা ঘূৰাই পায়। প্ৰধান শিক্ষকজনে কয় যে পূৰ্বে বিদ্যালয়খনত এই ঘটনা মাজে মাজে হৈছিল যদিও এতিয়া নিতৌ হ'বলৈ আৰম্ভ কৰিছে। ইফালে এই সমগ্ৰ ঘটনা সন্দৰ্ভত ব্লক শিক্ষা বিষয়াই কয় যে ছাত্ৰ-ছাত্ৰীসকলে দুৰ্বলতাৰ বাবেই অজ্ঞান হৈ ঢলি পৰে। বিদ্যালয়খনলৈ এটা চিকিৎসকৰ দল প্ৰেৰণ কৰা হ'ব বুলিও আশ্বাস দিয়ে শিক্ষা বিষয়াই।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান
ই-মেইলঃ newsnextne@gmail.com